**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-06-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***
**- - - - - - - - - - - - - - -**

১। অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন আৰম্ভ। অধিৱেশনৰ নৱ-নিৰ্বাচিতসদস্যসকলৰ পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত গ্ৰহণ।

২। দেশৰ জনসাধাৰণৰ কল্যাণৰ বাবে সংবিধানৰ পৰিসৰত সহমতৰ জৰিয়তে বিকশিত ভাৰত নিৰ্মাণৰ বাবে চৰকাৰে সংকল্প লৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য।

৩। বহনক্ষম জলাশয় আৰু সংহত মীন পালন ক্ষেত্ৰৰ ৰূপান্তৰণ প্ৰকল্পৰ বিষয়ে মীন মন্ত্ৰী কেশৱ মহন্তৰ এছিয়ান ডেভেলপমেণ্ট বেংকৰ প্ৰতিনিধিৰ সৈতে আলোচনা।

৪। বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত। ৯ খন জিলাৰ ২ লক্ষাধিক লোক বানৰ কবলত।

**আৰু**

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত ভাৰত আৰু অষ্ট্ৰেলিয়া মুখামুখি।

0000000

অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন আজি আৰম্ভ হৈছে। অধিৱেশনৰ পূৰ্বে ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অস্থায়ী অধ্যক্ষ ভাৰ্তুহাৰি মহতাবক শপত বাক্য পাঠ কৰোৱায়। অধিৱেশনত প্ৰথমে নৱ-নিৰ্বাচিত সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰথমে সদনৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। অস্থায়ী অধ্যক্ষ ভাৰ্তুহাৰি মহতাবে শ্ৰীমোডীক শপতবাক্য পাঠ কৰোৱায়। ইয়াৰ পাছত স্থায়ী অধ্যক্ষ নিৰ্বাচন নোহোৱা পৰ্যন্ত শ্ৰীমহতাবক সহায় কৰিবলৈ নিযুক্তি দিয়া অধ্যক্ষ পেনেলৰ শপত গ্ৰহণ কৰোৱা হয়। বিজেপিৰ সাংসদ ৰাধামোহন সিং আৰু ফগ্গন সিং কুলাষ্টে অধ্যক্ষ পেনেলৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। অৱশ্যে কংগ্ৰেছৰ সাংসদ কে সুৰেশ, ডি এম কে সাংসদ টি আৰ বালু আৰু তৃণমূল কংগ্ৰেছৰ সুদীপ বন্দোপধ্যায়ে পেনেলৰ সদস্য হিচাপে শপত লোৱাৰ পৰা বিৰত থাকে। ইয়াৰ পাছতে কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং, শিৱৰাজ সিং চৌহান, নীতিন গাডকাৰীকে ধৰি অনান্য মন্ত্ৰীসকলে শপত গ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু অসমৰ পৰা কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়ে অসমীয়া ভাষাত আৰু কে ৰামমোহন নাইডুৱে তেলেগু ভাষাত শপত গ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীদ্বয় এইছ ডি কুমাৰাস্বামী আৰু প্ৰহ্লাদ যোশীয়ে কানাড়া ভাষাত শপত গ্ৰহণ কৰাৰ বিপৰীতে ধৰ্মেন্দ্ৰ প্ৰধান আৰু জুৱেল ওৰামে ওড়িয়া ভাষাত শপত গ্ৰহণ কৰে। আজি সদনত অধিকাংশ সদস্যই আঞ্চলিক ভাষাত শপত গ্ৰহণ কৰাটো আছিল গুৰুত্বপূৰ্ণ দিশ। ইপিনে, কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ শপত গ্ৰহণৰ সময়ত বিৰোধী দলৰ সদস্যসকলে চিকিৎসা বিজ্ঞানৰ প্ৰৱেশ পৰীক্ষাত হোৱা ত্ৰুটি সন্দৰ্ভত শ্ল'গান দি হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। পৰহিলৈ লোকসভাৰ নতুন অধ্যক্ষ নিৰ্বাচন হোৱাৰ লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অহা বৃহস্পতিবাৰে সংসদৰ দুয়োখন সদনৰে যুঁটীয়া বৈঠকত ভাষণ দিব। সেইদিনাই ৰাজ্যসভাৰ অধিবেশন আৰম্ভ হ'ব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাক

ৰাজ্যসভাত দলৰ নেতা হিচাপে নিৰ্বাচিত কৰা হৈছে। আজি অধিবেশনৰ কাৰ্যসূচী স্থগিত ঘোষণা কৰা হয়। উল্লেখযোগ্য যে ৩ জুলাইত সংসদৰ অধিবশনৰ সামৰণি পৰিব।

সংসদৰ এই অধিবেশন সন্দৰ্ভত সম্প্ৰতি নতুন দিল্লীত থকা আকাশবাণীৰ সংবাদদাতা মানস প্ৰতীম শৰ্মাৰ সৈতে আমি কথা পাতিবলৈ লৈছে।

প্ৰঃ আজি অষ্টাদশ লোকসভাৰ অধিবেশনৰ প্ৰথম দিনা নৱনিৰ্বাচিত সদস্যসকলে শপত গ্ৰহণ কৰিছে। কেইবাগৰাকী সদস্যই আঞ্চলিক ভাষাত শপত গ্ৰহণ কৰা পৰিলক্ষিত হ'ল। সংসদৰ প্ৰথম দিনৰ কাৰ্যক্ৰমণিকাৰ সন্দৰ্ভত আপোনাৰ মতামত কি ?

**-ভইচ কাষ্ট-**

লোকসভাৰ অধিবেশনৰ প্ৰথম দিনৰ কাৰ্যসূচীৰ সন্দৰ্ভত আপুনি আমাৰ শ্ৰোতাসকলক সবিশেষ জনালে। পৰৱৰ্তী সময়ত এই অধিবেশনৰ বিভিন্ন বিষয় সন্দৰ্ভত জানিবলৈ আপোনাৰ সৈতে সংযুক্ত হ'ম। ধন্যবাদ

ইপিনে, আজি লোকসভা অধিবেশনৰ প্ৰথম দিনাই বিৰোধী দলৰ সদস্যসকলে সংবিধানৰ প্ৰতিলিপি লৈ সংসদ ভৱনৰ চৌহদত প্ৰতিবাদ সাব্যস্ত কৰে।

0000000

দেশৰ জনসাধাৰণৰ কল্যাণৰ লক্ষ্যৰে সংবিধানৰ পৰিসৰৰ ভিতৰত থাকি আৰু সহমতৰ দ্বাৰা অগ্ৰসৰ হৈ বিকশিত ভাৰত নিৰ্মাণৰ বাবে চৰকাৰে সংকল্প লৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন্তব্য কৰিছে। অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন আজি বিকশিত ভাৰত নিৰ্মাণৰ প্ৰতিশ্ৰুতিৰ সৈতে আৰম্ভ হৈছে। তেওঁ কয় যে তেওঁৰ চৰকাৰে দেশৰ সেৱা কৰিবলৈ আৰু জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ পূৰ্ণগতিত প্ৰয়াস চলাব। অধিবেশন আৰম্ভ হোৱা পূৰ্বে সংসদৰ বাহিৰত সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি শ্ৰীমোদীয়ে নৱনিৰ্বাচিত সকলো সাংসদক অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে চৰকাৰ চলাবলৈ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন, কিন্তু দেশ চলাবলৈ দেশৰ সহমতৰ অতি প্ৰয়োজন। প্ৰধানমন্ত্ৰীয়ে কয় যে স্বাধীনতা লাভ কৰাৰ পাছত প্ৰথমবাৰৰ বাবে লোকসভাৰ সাংসদসকলৰ শপত গ্ৰহণ কাৰ্যসূচী নতুন সংসদ ভৱনত অনুষ্ঠিত হৈছে। তেওঁ কয় যে স্বাধীনতা লাভ কৰাৰ পাছত দ্বিতীয়বাৰ দেশৰ জনসাধাৰণে একেৰাহে তৃতীয়বাৰলৈ কোনো এখন চৰকাৰক দেশৰ সেৱা কৰিবলৈ সুবিধা দিছে। প্ৰধানমন্ত্ৰীয়ে অষ্টাদশ লোকসভাত যুৱ সাংসদৰ সংখ্যা বৃদ্ধি হোৱাক লৈ আনন্দ প্ৰকাশ কৰে। বিৰোধীৰ ভূমিকাক লৈ প্ৰধানমন্ত্ৰীয়ে কয় যে গণতন্ত্ৰৰ মৰ্যাদা বজাই ৰাখি তেওঁলোকে বিৰোধীৰ ভূমিকা পালন কৰিব বুলি জনসাধাৰণে আশা কৰে।

0000000

পৰিবহণ আৰু মীন মন্ত্ৰী কেশৱ মহন্তক আজি এছিয়ান ডেভেলপমেণ্ট বেংকৰ প্ৰতিনিধিৰ দল এটাই সাক্ষাৎ কৰে। বেংকটোৰ জ্যেষ্ঠ প্ৰাকৃতিক সম্পদ আৰু কৃষি বিশেষজ্ঞ ছুনে কিমৰ নেতৃত্বত অহা দলটোৰ সৈতে মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ মীন ক্ষেত্ৰৰ উন্নয়ন সন্দৰ্ভত আলোচনাত মিলিত হয়। বিশেষকৈ বেংকটোৰ সহযোগিতাৰে ৰাজ্যৰ মীনক্ষেত্ৰখনৰ উন্নয়নৰ বাবে ৰূপায়ণ কৰিবলৈ লোৱা বহনক্ষম জলাশয় আৰু সংহত মীন পালন ক্ষেত্ৰৰ ৰূপান্তৰণ প্ৰকল্প প্ৰসংগত আলোচনা কৰা হয়। ইফালে, মন্ত্ৰীগৰাকীয়ে আজি জনতা ভৱনত আভ্যন্তৰীণ জল পৰিবহণ সঞ্চালকালয় আৰু আভ্যন্তৰীণ জল পৰিবহণ উন্নয়ন সমিতিৰ উচ্চপদস্থ পদাধিকাৰীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকখনত সঞ্চালকালয়ৰ কাৰ্য ৰূপায়ণৰ খতিয়ান লোৱাৰ লগতে সেৱা, আঁচনি আৰু নতুন পদক্ষেপ পৰিকল্পনা সমূহৰ সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়।

0000000

আপোনাৰ হয়তো প্ৰিয়তম বন্ধু এটা ৰেডিঅ'। অথবা আপোনাৰ ঘৰত স্মৃতিৰ জেউতি চৰাই আছে এটি পুৰণি ৰেডিঅ', যাৰ সৈতে এৰি অহা সময়ৰ নজহা নপমা বহু কথা বিজড়িত হৈ আছে। আপোনাৰ এই আপুৰুগীয়া সম্পদটো আনৰ আগতো প্ৰদৰ্শন কৰাৰ বাবে আকাশবাণী গুৱাহাটীয়ে সুযোগ দিব বিচাৰিছে। অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱসত। এই সুযোগ গ্ৰহণ কৰাৰ বাবে কমেও ৩০ বছৰ পুৰণি আপোনাৰ ৰেডিঅ'টিৰ এখন ফটো, গৰাকীৰ নাম, ক্ৰয় কৰাৰ বৰ্ষ আৰু যোগাযোগৰ নম্বৰসহ 60035-40566 WHATSAPP নম্বৰ আৰু AIRGHY@GMAIL.COM ই-মেইল আইডি লৈ ২৮ জুনৰ পূৰ্বে পোৱাকৈ পঠিয়াব পাৰে। নিৰ্বাচিত তিনিগৰাকী অংশগ্ৰহণকাৰীক আকাশবাণী গুৱাহাটীৰ প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

ইপিনে, আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিবেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ ৯৭১৬৬-৮০৯৬৯ আৰু ৯৬১৯৬-৮৬৬৫৯ নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। অডিঅ' প্ৰেৰণৰ অন্তিম দিন ২৮ জুনৰ সন্ধিয়া ৭বজা ধাৰ্য কৰা হৈছে। তিনিগৰাকী নিৰ্বাচিত প্ৰতিযোগীক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

0000000

বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ৯খন জিলাৰ ২২ টা ৰাজহ চক্ৰৰ ৭৯৩ খন গাঁৱৰ ২ লাখ ৪ হাজাৰ ৮৯৬ গৰাকী লোক ক্ষতিৰ সন্মুখীন হৈছে। বানত ১৭ হাজাৰৰো অধিক পশুধনৰ ক্ষতি হৈছে। আনহাতে, এই বানত ৪ হাজাৰ ২৭৪ হেক্টৰৰো অধিক কৃষিভূমি প্লাৱিত হৈ আছে। বানৰ কবলত পৰা লোকৰ বাবে ১০৭ টা আশ্ৰয় শিবিৰ আৰু ১০৪ টা সাহায্য বিতৰণ কেন্দ্ৰ সক্ৰিয় ৰখা হৈছে। ইফালে, কুশিয়াৰা নৈৰ জলপৃষ্ঠ বিপদ সীমাৰ ওপৰত বৈ আছে। জলসম্পদ বিভাগ আৰু কৰিমগঞ্জ জিলাৰ অভিভাৱক মন্ত্ৰী পীযুষ হাজৰিকাই আজি জিলাখনত উপস্থিত হৈ অহা পাঁচ দিনৰ ভিতৰত বৰাক উপত্যকাৰ ছিগা মথাউৰিসমূহ মেৰামতি কৰিবলৈ জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে। আনহাতে, নলবাৰী জিলাৰ সামগ্ৰিক বান পৰিস্থিতি স্বাভাৱিক হ'লেও টিহু ৰাজহ চক্ৰৰ অন্তৰ্গত ভোজকুছি, বালাবৰী ক্ষেত্ৰাপাৰা, ঘোপা, পশ্চিম নলবাৰীৰ আমনি, বৰবিলা, পূৰ্ণি, খেলুৱাকে ধৰি বহু অঞ্চলৰ পৰিস্থিতি স্বাভাৱিক হোৱা নাই।

0000000

তামুলপুৰ আৰু গোবেশ্বৰ ৰাজহ চক্ৰৰ অধীনৰ বিভিন্ন স্থানত কৃত্ৰিম বানে জনসাধাৰণৰ জীৱন তথা সম্পত্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিতত জিলা দণ্ডাধীশে ভাৰতীয় ফৌজদাৰী দণ্ডবিধিৰ ১৪৪ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই নিষেধাজ্ঞা অনুসৰি বাসিন্দাসকলক নলা-নৰ্দমাৰ ওপৰত যিকোনো পকী নিৰ্মাণকাৰ্য সম্প্ৰসাৰণ কৰাৰ অনুমতি দিয়া নহ'ব। তদুপৰি তেওঁলোকক নলা-নৰ্দমাৰ ওপৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি দেৱাল আদি নিৰ্মাণ কৰা, ৰাস্তাৰ কাষৰ নৰ্দমাত জাবৰ-জোঁথৰ পেলোৱাকে ধৰি বিভিন্ন ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই নিৰ্দেশ অমান্য কৰাসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

0000000

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহলে গুৱাহাটী মহানগৰীৰ বান সমস্যা সমাধানৰ বাবে অবিৰত প্ৰচেষ্টা অব্যাহত ৰখা হৈছে বুলি প্ৰকাশ কৰিছে। গুৱাহাটীক বান মুক্ত কৰি গঢ়ি তোলাই চৰকাৰৰ উদ্দেশ্য বুলি প্ৰকাশ কৰি তেওঁ কয় যে নদীসমূহৰ খনন তথা অত্যাধুনিক যন্ত্ৰপাতি ব্যৱহাৰৰ জৰিয়তে নলা-নৰ্দমাসমূহ পৰিষ্কাৰকে ধৰি বিভিন্ন

পদক্ষেপ অব্যাহত ৰখা হৈছে। মন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটীৰ ৰুক্মিণী গাঁও, ডাউন-টাউন, সৰুমটৰীয়া, বশিষ্ঠকে ধৰি কেইবাটাও অঞ্চল পৰিদৰ্শন কৰি বান পৰিস্থিতিৰ বুজ লয়। তদুপৰি মহানগৰীৰ বান সমস্যা সন্দৰ্ভত তেওঁ নাগৰিকসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত সংশ্লিষ্ট বিভাগৰ কেইবাগৰাকীও বিষয়া উপস্থিত থাকে। নাগৰিকসকলৰ সুবিধাৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰি নগৰীয়া বান সমস্যাৰ সমাধানৰ বাবে বহনক্ষম সমাধানৰ পথ বিচাৰি উলিওৱাত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০০

গুৱাহাটী মহানগৰৰ দিছপুৰ আৰক্ষীয়ে আজি বৰবাৰীত অভিযান চলাই বৃহৎ পৰিমাণৰ নকল নোটসহ নকল সোণৰ নাও  জব্দ কৰিবলৈ সমৰ্থ হৈছে। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে দুজন যুৱকক গ্ৰেপ্তাৰ কৰিছে। ধৃত যুৱকদ্বয়ৰ পৰা আৰক্ষীয়ে ৪৭ লাখ ৫০ হাজাৰ টকাৰ জালনোট আৰু ২ কিলোগ্ৰাম ওজনৰ এখন নকল সোণৰ নাও জব্দ কৰে।

০০০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰতে ছুপাৰ এইট পৰ্যায়ত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছেণ্ট লুছিয়াৰ ডাৰেন ছাম্মী নেচনেল ক্ৰিকেট ষ্টেডিয়ামত ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত খেলখন আৰম্ভ হ'ব। দুয়োটা দলৰ মাজত অনুষ্ঠিত পূৰ্বৰ ৩১ খন টি-২০ খেলত ভাৰতে ১৯ খনত আৰু অষ্ট্ৰেলিয়াই ১১ খনত জয়লাভ কৰাৰ বিপৰীতে এখন খেল অমিমাংসিত হৈ ৰয়।

ইফালে, এণ্টিগুৱাৰ ছাৰ ভিভিয়ান ৰিচাৰ্ডছ্ ষ্টেডিয়ামত আজি পুৱা অনুষ্ঠিত এখন খেলত ৱেষ্ট ইণ্ডিজক তিনি উইকেটত পৰাস্ত কৰি দক্ষিণ আফ্ৰিকাই ছেমি ফাইনেলত প্ৰৱেশ কৰে। ৱেষ্ট ইণ্ডিজে  ১৭ অভাৰত ৮টা উইকেট হেৰুৱাই ১৩৫ ৰান কৰে। বৰ্ষাবিঘ্নিত খেলখনত দক্ষিণ আফ্ৰিকাই ১৭ অ'ভাৰত সংশোধিত ১২৩ ৰাণৰ  বিজয় লক্ষ্যত উপনীত হয়।

আনহাতে, আজি অনুষ্ঠিত আন এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে ইংলেণ্ডে ১০ উইকেটত জয়লাভ কৰে। খেলখনত আমেৰিকা যুক্তৰাষ্ট্ৰই ১৮ অ'ভাৰ ৫টা বলত ১১৫ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে ইংলেণ্ডে ৯ অ'ভাৰ ৪টা বলতে ১১৭ ৰান সংগ্ৰহ কৰে।

০০০০০০০

সমাপ্ত